**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-05-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
-----------------------------

১। দেশত লোকসভা নিৰ্বাচনৰ পৰৱৰ্ত্তী দুটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযানে ক্ৰমাৎ তীব্ৰতা লাভ কৰিছে। ভিন ভিন ৰাজনৈতিক দলৰ নেতৃবৰ্গই ভোটদাতাক আকৰ্ষণ কৰাৰ বাবে চেষ্টা চলাইছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেইবাগৰাকীও ষ্টাৰ্টআপ প্ৰতিষ্ঠাপকৰ উদ্যমী যাত্ৰাক প্ৰশংসা কৰিছে।

৩। ইৰাণৰ ৰাষ্ট্ৰপতি ড০ ছইদ ইব্ৰাহিম ৰাইছি আৰু বৈদেশিক মন্ত্ৰী ড০ হোছেইন আমীৰ আব্দোল্লাহিয়ানৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদনৰ উদ্দেশ্যে আয়োজিত অনুষ্ঠানত ভাগ ল'বৰ বাবে উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আজি টেহৰাণলৈ গৈছে।

৪। বিশ্ব স্বাস্থ্য সংস্থাৰ মুৰববী টেড্ৰছ এধানম ঘেব্ৰেয়েছছে গাজা অভিমুখে চিকিৎসা সামগ্ৰী যোগানৰ অৱৰোধ প্ৰত্যাহাৰ কৰিবলৈ ইজৰাইলক আহ্বান জনাইছে।

৫। নৌসেনা বাহিনীৰ মুৰববী এডমিৰেল দীনেশ কুমাৰ ত্ৰিপাঠীয়ে, দেশৰ সামুদ্ৰিক সীমান্তক সুৰক্ষিত কৰি ৰখাৰ স্বাৰ্থত ভাৰতীয় নৌসেনা বাহিনী সততে প্ৰস্তুত হৈ থকাৰ বিষয়টোত গুৰুত্ব আৰোপ কৰিছে।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোডী ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন এলিমিনেটৰ খেলত ৰাজস্থান ৰয়েলছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

দেশত লোকসভা নিৰ্বাচনৰ পৰৱৰ্ত্তী দুটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান পূৰ্ণ গতিত অব্যাহত আছে। বিভিন্ন ৰাজনৈতিক দলৰ শীৰ্ষ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ উদ্দেশ্যে ষষ্ঠ আৰু সপ্তম তথা অন্তিম  পৰ্যায়ত সামৰি ল'বলগীয়া সমষ্টিসমূহত ইখনৰ পিছত সিখনকৈ নিৰ্বাচনী সভাত ভাগ লোৱা পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে অহা ২৫ মে' আৰু ১ জুনত ষষ্ঠ আৰু সপ্তম পৰ্যায়ত ৫৭ টাকৈ সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।

লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ত ৮খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৫৭টা সংসদীয় সমষ্টিৰ বাবে মুঠ ৯০৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে অহা ১ জুনত ভোটগ্ৰহণ হ'বলগীয়া এই সমষ্টিসমূহৰ বাবে ২ হাজাৰ ১০৫ খন মনোনয়ন পত্ৰ দাখিল কৰা হৈছিল। এই মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰাৰ পাছত ৯৫৪খন বৈধ হিচাপে বিবেচিত হয়। উল্লেখযোগ্য যে অন্তিম পৰ্যায়ৰ এই নিৰ্বাচনত উত্তৰ প্ৰদেশ আৰু পাঞ্জাবৰ ১৩খনকৈ, পশ্চিমবংগৰ ৯খন, বিহাৰৰ ৮খন, ওড়িশাৰ ৬খন, হিমাচল প্ৰদেশৰ ৪খন, ঝাৰখণ্ডৰ ৩খন আৰু কেন্দ্ৰীয়শাসিত অঞ্চল চণ্ডিগড়ৰ এখনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কালি তেওঁৰ সংসদীয় সমষ্টি উত্তৰ প্ৰদেশৰ বাৰাণসীত মহিলাসকলৰ এখন সমাবেশত অংশ লৈ কয় যে, আই এন ডি আই মিত্ৰজোঁট মহিলা বিৰোধী আৰু তেওঁলোকে মহিলাৰ সংৰক্ষণৰ বিৰোধিতা কৰে। উত্তৰ প্ৰদেশৰ মহিলাসকলৰ সমাজবাদী পাৰ্টী আৰু কংগ্ৰেছৰ শাসনকালত সুৰক্ষিত নাছিল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, যোগী আদিত্যনাথৰ নেতৃত্বত ৰাজ্যখনৰ মহিলাসকল সুৰক্ষিত আৰু নিৰাপদ অনুভৱ কৰিবলৈ লৈছে। সম্পূৰ্ণানন্দ সংস্কৃত বিশ্ববিদ্যালয়ত আয়োজিত মাতৃ শক্তি সন্মিলনত গৃহিণী, চিকিৎসক, শিক্ষক-শিক্ষয়িত্ৰী, ব্যৱসায়ী, অধিবক্তা আৰু খেলুৱৈৰ সৈতে মত-বিনিময় কৰি শ্ৰীমোডীয়ে কয় যে, বিগত ৬০ বছৰত কোনো চৰকাৰে মহিলাৰ বিষয়ে চিন্তা কৰা নাছিল যদিও বৰ্তমানৰ চৰকাৰে মহিলাসকলক গুৰুত্ব আৰোপ কৰি নীতি প্ৰস্তুত কৰাই নহয়, তেওঁলোকক সংৰক্ষণো প্ৰদান কৰিছে। ইয়াৰ আগেয়ে প্ৰয়াগৰাজত এখন ৰাজনৈতিক সমাবেশত ভাষণ দি শ্ৰীমোডীয়ে বহুজন সমাজ পাৰ্টী আৰু সমাজবাদী পাৰ্টীয়ে অপৰাধী শক্তিসমূহক ৰক্ষণাবেক্ষণ দিয়া বুলি অভিযোগ তোলে। প্ৰধানমন্ত্ৰীয়ে উত্তৰ প্ৰদেশত আজি আন দুখন নিৰ্বাচনী সভাত ভাগ ল'ব।

আনহাতে, কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি চণ্ডীগড়ত এখন সংবাদমেল সম্বোধন কৰে। তেওঁ কয় যে হাৰিয়ানা আৰু পাঞ্জাবক যথেষ্ট সমৃদ্ধিশালী বুলি গণ্য কৰা হয় যদিও ৰাজ্য দুখনত কৰ্মসংস্থাপনহীনতা আৰু মুদ্ৰাস্ফীতি এতিয়াও চৰম পৰ্যায়ত আছে। কংগ্ৰেছ দলৰ সাংসদ শশী থাৰুৰে সাম্প্ৰতিক লোকসভা নিৰ্বাচনত বিপুল হাৰত জয়লাভ কৰিব বুলি বিজেপিয়ে কৰা দাবীক অলীক কল্পনা বুলি অভিহিত কৰিছে। নতুন দিল্লীত আজি সংবাদমাধ্যমৰ সৈতে হোৱা কথা বতৰাত তেওঁ কয় যে, ২০১৯ চনৰ লোকসভা নিৰ্বাচনৰ পুনৰাবৃত্তি ঘটোৱাটো এইবাৰ বিজেপিৰ পক্ষে অসম্ভৱ হ'ব। শাসকীয় দলটোৰ শক্তিশালী ঘাটি হিচাপে চিহ্নিত অঞ্চলসমূহত ভোটদানৰ হাৰ তেনেই কম হোৱা বুলি উল্লেখ কৰি শ্ৰীথাৰুৰে লগতে, কংগ্ৰেছ প্ৰাৰ্থী আৰু আই এন ডি আই মিত্ৰজোঁটৰ প্ৰতি জনসাধাৰণৰ উৎসাহ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে বুলিও দাবী কৰে।

ইপিনে সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱে কালি তৃণমূল কংগ্ৰেছ প্ৰাৰ্থী ললিতেশ পতি ত্ৰিপাঠীৰ সমৰ্থনত ভাদোহিত প্ৰচাৰ চলায়। তেওঁ কয় যে বিজেপিয়ে এইবাৰৰ নিৰ্বাচনত সমগ্ৰ দেশত ১৪০খন আসনতো জয়লাভ নকৰে।

ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত বিভিন্ন আগশাৰীৰ নেতাসকলৰ অংশগ্ৰহণৰ লগে লগে নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ হৈ উঠিছে। দিল্লীৰ ভোটদাতাসকলে ষষ্ঠ পৰ্যায়ত ৰাষ্ট্ৰীয় ৰাজধানীৰ গুৰুত্বপূৰ্ণ আসনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। দিল্লীৰ বিভিন্ন প্ৰান্তত ভোটাৰক আকৰ্ষণ কৰিবলৈ তীব্ৰ প্ৰচাৰ চলোৱা হৈছে। এই মাত্ৰাত গতি প্ৰদান কৰি দিল্লীৰ নিৰ্বাচনী সভাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি ভাষণ দিব। প্ৰধানমন্ত্ৰী মোডীয়ে বিজেপি প্ৰাৰ্থী কাৱালজিত দেহৰাৱটৰ হৈ দ্বাৰকাত এখন ৰাজহুৱা সভাত ভাষণ দিয়াৰ বিপৰীতে কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই ভালছোৱা ডেইৰীত এখন জনসভাত অংশগ্ৰহণ কৰিব। শ্ৰীখাৰ্গেই দলীয় প্ৰাৰ্থী উদিত ৰাজৰ হৈ প্ৰচাৰ চলাব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহ আজি নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে পশ্চিমবংগলৈ যাব। ভ্ৰমণকালত শ্ৰীশ্বাহে কাঠি সংসদীয় সমষ্টিত এখন জনসভাত ভাগ ল'ব। পাছত নেতাগৰাকীয়ে ঘাটল, পুৰুলীয়া আৰু বাঁকুড়াত দলীয় প্ৰাৰ্থীৰ হকে প্ৰচাৰত ভাগ ল'ব। একেদৰে বিজেপিৰ

ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি কলকাতা উত্তৰ আৰু কলকাতা দক্ষিণ লোকসভা সমষ্টিত দলৰ হকে প্ৰচাৰ চলাব। পাছত তেওঁ বাৰাছাত লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত এটা ৰোড শ্ব'ত ভাগ ল'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেইবাগৰাকীও ষ্টাৰ্টআপ প্ৰতিষ্ঠাপকৰ উদ্যমী যাত্ৰাক প্ৰশংসা কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰা এটা বাৰ্তাত শ্ৰীমোদীয়ে সফল ষ্টাৰ্টআপ প্ৰতিষ্ঠানৰ কেইগৰাকীমান সফল উদ্যমীৰ বিষয়ে ভিডিঅ' প্ৰচাৰ কৰি কয় যে, কষ্ট কৰিলে সফলতাৰ শীৰ্ষত আৰোহন কৰিব পৰা যায়। শ্ৰীমোদীয়ে লগতে ষ্টাৰ্টআপসমূহে বিকাশ লাভ কৰিবৰ বাবে সঠিক পৰিবেশ গঢ় দিয়াৰ ক্ষেত্ৰত চৰকাৰৰ দায়বদ্ধতাৰ কথাও উল্লেখ কৰে।

০০০০০০

ভাৰতীয় জনতা পাৰ্টি, আম আদমী পাৰ্টি চমুকৈ আপ আৰু দিল্লীৰ জনসাধাৰণৰ বিৰুদ্ধে ষড়যন্ত্ৰত লিপ্ত হোৱা বুলি আপৰ নেতৃত্বই অভিযোগ কৰিছে। আজি নতুন দিল্লীত আয়োজিত এখন সংবাদমেলত ভাষণ দি দলটোৰ জ্যেষ্ঠ নেত্ৰী আতিশীয়ে কয় যে, দেশৰ ৰাজধানীত জল সংকট সৃষ্টি কৰাৰ উদ্দেশ্যে বিজেপিয়ে দিল্লীলৈ পানী বোৱাই অনাৰ পথ ৰোধ কৰিছে। হাৰিয়ানা চৰকাৰে যমুনা নৈৰ পানী দিল্লীলৈ বৈ অহাৰ পথ বন্ধ কৰাৰ বিষয়টোক অনুসন্ধানৰ জৰিয়তে প্ৰকাশ পোৱা বুলি নেত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে যমুনা নৈৰ জলস্তৰ সম্প্ৰতি সৰ্বনিম্ন পৰ্যায়লৈ হ্ৰাস পোৱা বুলিও ব্যক্ত কৰে।

০০০০০০

বিশ্ব স্বাস্থ্য সংস্থা WHOৰ মুৰব্বী টেড্ৰছ এধানম ঘেব্ৰেয়েছছে গাজা অভিমুখে চিকিৎসা সামগ্ৰী যোগানৰ অৱৰোধ প্ৰত্যাহাৰ কৰিবলৈ ইজৰাইলক আহ্বান জনাইছে। যুদ্ধ বিধবস্ত এলেকাটোত প্ৰায় ৭০০ গৰাকী গুৰুতৰভাৱে অসুস্থ ৰোগী আবদ্ধ হৈ থকা বুলি প্ৰকাশ কৰি তেওঁ এইদৰে আহ্বান জনায়। জেনেভাত এখন সংবাদমেলত অংশগ্ৰহণ কৰি WHOৰ মুৰব্বীগৰাকীয়ে কয় যে, ইজিপ্তৰ পৰা গাজা অভিমুখে যোৱা পথটো বিগত ২ সপ্তাহ ধৰি বন্ধ হৈ থকাৰ ফলত গাজালৈ স্বাস্থ্য সামগ্ৰীৰ জৰুৰী যোগান সমূলি ব্যাহত হৈ পৰিছে। গাজাৰ আশে-পাশে থকা চিকিৎসালয়সমূহে ৰোগীৰ পৰিচৰ্যা তথা চিকিৎসাৰ সামৰ্থৰ ক্ষেত্ৰত আপোচ কৰিবলগীয়া হৈছে বুলি উল্লেখ কৰি তেওঁ অঞ্চলটোৰ পৰিস্থিতিক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে। গাজালৈ সাহায্য সামগ্ৰীৰ যোগান বৃদ্ধি কৰিব নোৱাৰিলে অঞ্চলটোৰ চিকিৎসালয়সমূলৈ আৰু জনসাধাৰণৰ জীৱন ৰক্ষাৰ ক্ষেত্ৰত সেৱা আগবঢ়োৱাটো ৰাষ্ট্ৰসংঘৰ স্বাস্থ্য সংস্থাটোৰ পক্ষে সম্ভৱপৰ নহ'ব বুলিও তেওঁ লগতে প্ৰকাশ কৰে।

০০০০০০

নৌসেনা বাহিনীৰ মুৰব্বী এডমিৰেল দীনেশ কুমাৰ ত্ৰিপাঠীয়ে, দেশৰ সামুদ্ৰিক সীমান্তক সুৰক্ষিত কৰি ৰখাৰ স্বাৰ্থত ভাৰতীয় নৌসেনা বাহিনী সততে প্ৰস্তুত হৈ থকাৰ বিষয়টোত গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীত অৱস্থিত নৌসেনা বাহিনীৰ মুখ্য কাৰ্যালয়ত নতুনকৈ নিযুক্তি লাভ কৰা বিষয়াসকলক সম্বোধন কৰি এডমিৰেল ত্ৰিপাঠীয়ে কালি এই কথা প্ৰকাশ কৰে। বাহিনীটোৰ মুৰব্বীগৰাকীয়ে আত্মনিৰ্ভৰতাৰ দিশত ভাৰতীয় নৌসেনা বাহিনীৰ দায়বদ্ধতাকো প্ৰসংগক্ৰমে দোহাৰে।

এডমিৰেল ত্ৰিপাঠীয়ে সামুদ্ৰিক ক্ষেত্ৰত বাহিনীটো সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে ঘৰুৱাভাৱে বিভিন্ন সমস্যাৰ সমাধানৰ পথ উলিওৱাৰ বিষয়ত গুৰুত্ব আৰোপ কৰে। তেওঁ বাহিনীটোৰ বিষয়া আৰু জোৱানসকলৰ নিষ্ঠাপূৰ্ণ সেৱা তথা সামৰ্থ্যকো ভূয়সী প্ৰশংসা কৰে।

০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আজি ইৰাণৰ টেহৰাণ অভিমুখে ৰাওনা হৈছে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে হেলিকপ্টাৰ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা ইৰাণৰ ৰাষ্ট্ৰপতি ড০ ছুইদ ইব্ৰাহিম ৰাইছি আৰু বৈদেশিক মন্ত্ৰী ড০ হোছেইন আমীৰ আব্দোল্লাহিয়ানৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদনৰ উদ্দেশ্যে চৰকাৰীভাৱে আয়োজিত এটা অনুষ্ঠানত দেশক প্ৰতিনিধিত্ব কৰি অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে যোৱা ১৯ মে'ত আকাশমাৰ্গত সংঘটিত এটা দুৰ্ঘটনাত দেশখনৰ নেতা দুগৰাকীয়ে প্ৰাণ হেৰুৱাইছিল।

উল্লেখযোগ্য যে ইৰাণৰ ৰাষ্ট্ৰপতি আৰু বিদেশ মন্ত্ৰীগৰাকীৰ মৃত্যুত ভাৰতে কালি এদিনীয়া ৰাষ্ট্ৰীয় শোক পালন কৰে। আনহাতে বিদেশ মন্ত্ৰী ডং এছ জয়শংকৰে কালি নতুন দিল্লীত ইৰাণ ইছলামিক গণৰাজ্যৰ দুতাবাস পৰিদৰ্শন কৰি দেশৰ হৈ শোক প্ৰকাশ কৰে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোডী ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন এলিমিনেটৰ খেলত ৰাজস্থান ৰয়েলছ ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এই খেলখনত জয়লাভ কৰা দলটো শুকুৰবাৰে হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰ খেলত ছানৰাইজাৰ্চ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগতাৰ চূড়ান্ত খেলখন দেওবাৰে অনুষ্ঠিত হ'ব।

ইয়াৰ পূৰ্বে যোৱা নিশা অনুষ্ঠিত প্ৰথমখন কোৱালিফায়াৰত কলকাতা নাইট ৰাইডাৰ্চে ছানৰাইজাৰ্চ হায়দৰাবাদক ৮ উইকেটত পৰাস্ত কৰি প্ৰত্যয়পূৰ্ণ বিজয়েৰে ফাইনেলত স্থান নিশ্চিত কৰে। কলকাতা নাইট ৰাইডাৰ্চে মাত্ৰ ১৬০ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৩ অভাৰ আৰু চাৰিটা বলত দুটা উইকেট হেৰুৱাই ১৬৪ ৰাণ কৰে। কলকাতাৰ হৈ অধিনায়ক শ্ৰেয়াছ আয়াৰে ২৪টা বলত ৫৮ ৰান আৰু ভেংকটেশ আয়াৰে ২৮টা বলত ৫১ ৰান কৰি আউট নোহোৱাকৈ থাকে।

ইয়াৰ পূৰ্বে ছানৰাইজাৰ্চ হায়দৰাবাদে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ১৯ অভাৰ আৰু তিনিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৫৯ ৰান কৰে। হায়দৰাবাদৰ হৈ ৰাহুল ত্ৰিপাঠীয়ে ৩৫টা বলত সৰ্বাধিক ৫৫ ৰান কৰে। কলকাতাৰ মিচেল ষ্টাৰ্কে তিনিটা উইকেট দখল কৰে। ষ্টাৰ্কক প্লেয়াৰ অব দা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০

সমাপ্ত